ডাঃ নেছাব আহমেদ

# মোৰ দৃষ্টিত অঃগঃপঃ চৰকাৰ

অসম গণ পৰিষদৰ চৰকাৰৰ কাৰ্যৰ বিফলতা সফলতাৰ আলোচনাৰ মূলতে অসম চুক্তি ৰূপায়ণৰ কথাটো। কাৰণ অসম চুক্তিয়েই হ'ল গণ পৰিষদৰ জন্মৰ মূল উৎস আৰু চৰকাৰ গঠনৰ মূল কথা। অসম চুক্তিখনেনো কি—এইবিষয়ে নতুনকৈ আলচ কৰাৰ প্ৰয়োজন নাই, কাৰণ যোৱা এবছৰে এইবিষয়ে ৰাইজে সকলোকথা গম পাইছেই। অসম চুক্তিৰ মূলকথা আৰু অসম আন্দোলনৰ মূল লক্ষ্য বা দাবীবোৰৰ বা শ্লোগানবোৰৰ মাজত সাংঘাটিক অমিল তথা আকাশ পাতাল পাৰ্থক্য আছে। কিন্তু তথাপিতো ১৯৮৫ চনত ৰবঢোল কোবাই জনোৱা হল যে অসম আন্দোলনৰ সকলো দাবী পূৰণ হ'ল অসম চুক্তিৰ যোগেদি। জনসাধাৰণৰ সৰহাংশই ৰাজনীতিৰ কুটিল কপট কথা-কাণ্ডবোৰৰ তাৎপৰ্য বুজি নেপায়। মাথো লাখৰ মাজত এজন বুধিয়ক বা চিন্তাশীলে হয়তো ধৰিব পাৰে। তাৰদ্বাৰা বিশেষ লাভ নহয়। ফলত বৃহৎ অংশটোক ৰাজনীতিৰ ধুৰন্ধৰ নেতাসকলে নিজা স্বাৰ্থপৰ ক্ষমতা আহৰণৰ প্ৰক্ৰিয়াত সহায় হব পৰাকৈ সিহঁতে উপলব্ধি কৰিবলৈ নৌ পাওঁতেই সত্য বুলি অসত্য, ন্যায় বুলি অন্যায় বাটেৰে পথভ্ৰষ্ট কৰায়।

অসম চুক্তিয়ে অসম আন্দোলনৰ মূল বা, ঘাইদাবী তথা কথিত বিদেশী বিতাৰণৰ সমস্যাটোক ভাৰতীয় সংবিধানৰ আলমতে আৰু আন্তঃৰাষ্ট্ৰীয় মানৱতা আৰু বিভিন্ন ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনুকূলে যোৱাটো সমাধান কৰিলে। যিটো ১৯৭৯ চনৰ পৰা ১৯৮৪ চনলৈ— অসম আন্দোলনকাৰীয়ে মানিলোৱা নাছিল। কিন্তু ১৯৭৭ আৰু ১৯৭৮ চনত মই বাৰম্বাৰ উক্ত সংবিধানিক, আন্তৰাষ্ট্ৰীয় সম্পৰ্ক, মানৱতাবাদ, আৰু অন্যান্য ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত — তেতিয়াই কিছুমান নেতাই—আৰু অসম জাতীয়তাবাদী দলৰো কেতবোৰ সদস্যই তোলা প্ৰশ্নৰ উত্তৰত সভাথলিত আৰু ব্যক্তিগত ভাৱেও দাবী পূৰণ অসম্ভৱ অবাস্তৱ বুলি কৈছিলো। ১৯৭৯ চনৰো আগভাগত আৰু পাচতো বিভিন্ন মাধ্যমেৰে এইকথা ব্যক্ত কৰা হৈছিল। কিন্তু কোনেও উক্ত কথা নুশুনিলে। কিন্তু এতিয়া গণ পৰিষদৰ চৰকাৰে বিদেশী বিতাড়ণ কৰিব পাৰিবনে? কাৰণ অসম চুক্তিয়েই তাত হিমালয় সদৃশ বাধা হৈ থিয় দিছে। তদুপৰি যোৱা কেইদিনত দিল্লীৰ লোকসভাত "বিদেশী নিয়ন্ত্ৰণ" বা বিদেশী নাগৰিক আইনৰ সংশোধনী এটা গৃহীত হৈ সাংবিধানিক আইনত পৰিণত হৈ গ'ল। এই সংশোধনীক আমাৰ কাগজবোৰে ভালদৰে প্ৰকাশ কৰা নাই আৰু সঠিকভাৱে আলোচনাও কৰা নাই। কাৰণ এই সংশোধনীয়েও অসম চুক্তিৰ বিদেশী বিতাড়ণ দাবীৰ ওপৰত আৰু এটা মাধমাৰ সোধালে। এনে অৱস্থাত অসম চুক্তিমতে অসম গণ পৰিষদৰ চৰকাৰে তথাকথিত বিদেশী সকলক খেদিব পাৰিবনে? সেইটো কথাৰ সমিধান বৰ সহজ। একেখন ভাৰতবৰ্ষৰ অসমৰ বাবে কিবা বেলেগ বিদেশীৰ আইন বা সংজ্ঞা হব নোৱাৰে। গতিকেই নবতম সাংবিধানিক সংশোধনীও অসমৰ ক্ষেত্ৰত নিশ্চয় প্ৰযোজ্য হব। আঞ্চলিক দলহিচাপে অগপৰ চৰকাৰে—অসমৰ সৰ্বপ্ৰথম শাসনাধিস্থিত আঞ্চলিক দলৰ চৰকাৰ হিচাপে অসম আৰু অসমীয়া জাতিৰ বাবে যোৱা এবছৰ কালত যিমান কৰিব লাগিছিল—সি উল্লেখনীয় নহয়। অসম তথা অসমীয়া প্ৰধান জাতীয়ত্বৰ ভেটি প্ৰতিষ্ঠিত হৈছে সংহতি সমন্বয়ৰ ওপৰত। চাবলৈ গ'লে প্ৰত্যেক জাতি গোষ্ঠীয়েই অসমত কোনো নহয় কোনোবা যুগত বিদেশৰ পৰা আহি ইয়াত খোপনি পুতে। কিন্তু অসম গণ পৰিষদৰ চৰকাৰৰ ক্ষমতা দখলৰ পাচত অসম তথা অসমীয়া জাতিৰ চিৰপ্ৰবাহমান জাতি গঠনৰ

OKDISCD

সমন্বয় সংহতি স্নেহৰ শক্তিৰ বান্দোনত যেন বৰ ডাঙৰ আউল লাগিছে। এইটো আমি বিচৰা নাছিলো। আমি বিচাৰিছিলো আঞ্চলিক দলৰ চৰকাৰ এটাই অসমৰ প্ৰতিটো গোষ্ঠী সম্প্ৰদায়ক নিজৰ বুলি মৰম কৰি অসমীয়াৰ বৃহৎ জাতীয়ত্বৰ শক্তি একতা স্নেহ সম্প্ৰীতিৰ যোগেদি দুৰ্ভেদ্য অক্ষয় কৰি গঢ়ি তুলিব, কিন্তু সি আৰু হৈ নুঠিল।

ভাষা-সংস্কৃতি, অৰ্থনীতি, বানপানী ৰোধ, নগৰ উন্নয়ন, ৰাজধানীৰ উন্নয়ন, স্বাৱলম্বন, অসমীয়াক বেহা-বেপাৰমুখী কৰা আঁচনি আদি একোকে হৈ নুঠিল। এবছৰতে ফল নহলেও কলি হব লাগিছিল বা সম্ভাৱনা দেখা যাব লাগিছিল। কিন্তু সেয়া একেবাৰে নাইকিয়া। গতিকেই অসফলতাৰ ওপৰত এটা চৰকাৰ কিমানদিন টিকিব?

অসম গণ পৰিষদ চৰকাৰে বয়সস্থ পুৰণা জাতীয়তাবাদী নেতাসকলৰ যোগ্যসকলক লৈ এখনি উপদেষ্টা পৰিষদ গঠন কৰি তাৰ প্ৰভাৱাধীন হলেও কথা নাছিল, কিন্তু তাকে নকৰি নিজে নিজেই কম বয়স্ক আৰু কম অভিজ্ঞ সকলে নিজেই সৰবজানৰ দৰে কাম কৰাৰ বিপদ বহুত আছে।

আঞ্চলিক দলৰ শাসন অসমত চলিব পাৰে আৰু প্ৰতিষ্ঠিত হব পাৰে—তাকে যোৱা নিৰ্বাচনে প্ৰমাণিত কৰিলে। এই বিষয়ত মই বাহ পুৰণা নেতাৰ পৰা কৰ্কৰ্থনা আৰু সমালোচনা খাব লগা হৈছিল। কাৰণ মই কৈছিলো—অসমীয়াৰ নিজা আঞ্চলিক চৰকাৰ প্ৰতিষ্ঠা হব পাৰে আৰু সেইবাবেই অসম জাতীয়তাবাদী দলৰ জন্ম দিয়া হৈছিল। মোক সেইবাবেই বিৰুদ্ধবাদী সকলে 'পগলা' আখ্যা দিছিল। কিন্তু কি হ'ল? কোন-টো সঁচা হ'ল? সেয়া আজি সকলোৱে নিশ্চয় জানে।

আঞ্চলিক দলৰ শাসন অসমত চলি থকাটোকেই মই কামনা কৰো কাৰণ কিঞ্চিৎ হলেও আঞ্চলিক দলেইহে অসমীয়াৰ জাতীয়তাবাদক শক্তিশালী কৰিব পাৰিব। কিন্তু ৰাইজবিমুখ, অকৃতজ্ঞ, কম জ্ঞানৰ, কম বয়সৰ, অপৰিপক্ক কিন্তু সৰবজানবাদী নেতৃত্বৰ পৰিবৰ্তন নহলে আঞ্চলিক দলে বৰ্তমানৰ দৰে বিসংহতিমূলক কাৰ্যকলাপ, স্বাৰ্থপৰতাবাদ, পুৰণা জাতীয়তাবাদী নেতাসকলৰ প্ৰতি অকৃতজ্ঞতাৰ আচৰণ, আৰু মিছা অবাস্তৱ বিদেশী বিতাড়ণৰ শ্লোগান দি সৰহদিনলৈ ক্ষমতাধিষ্ঠিত হৈ থাকিব নোৱাৰিব। সি ধ্ৰুৱপ! গতিকে সময় থাকোতেই অঃ গঃ পঃ চৰকাৰ সষ্টম হওক।

OKDISCD